Meghalaya Board of School Education

# QUESTION PAPERS

aglasem.com



Total No. of Printed Pages—7

**HS/XII/A/a/24**

**2024**

# ELECTIVE ASSAMESE

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা *এটা* বা *দুটা* শব্দৰে (যি কোনো **দহটা**) : ১×১০=১০

(ক) ৰামসৰস্বতীৰ পিতৃপ্ৰদত্ত নামটো কি ?

(খ) 'অৰুণোদয়'ৰ প্ৰথম সম্পাদক কোন আছিল ?

(গ) খটাসুৰক দ্ৰৌপদীয়ে ক'ত লগ পাইছিল ?

(ঘ) হেমচন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা প্ৰথম অসমীয়া ছনেট কবিতাটোৰ নাম কি ?

(ঙ) 'চোৰধৰা' নাটৰ ৰচকৰ নাম লিখা ।

(চ) গী দ মোপাছাঁ কোন দেশৰ সাহিত্যিক আছিল ?

(ছ) অসমীয়া ঔপন্যাসিকসকলৰ মাজত কাক 'উপন্যাস সম্ৰাট' বুলি জনা যায় ?

(জ) পোনপ্ৰথমে কোনে ৰঙগীত ৰচনা কৰিছিল ?

(ঝ) 'বনকুঁৱৰী' কবিতাৰ কবিজনৰ নাম কি ?

(ঞ) মাধৱদেৱৰ জন্ম চনটো লিখা ।

(ট) কাৰ অভিশাপত নহুষ ৰজা অজগৰলৈ ৰূপান্তৰিত হৈছিল ?

(ঠ) কৰিমে বিয়া পাতিব খোজা ছোৱালীজনীৰ নাম কি ?

(ড) 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ লেখকৰ নাম কি ?

(ঢ) কৃপাবৰ বৰবৰুৱা কাৰ ছদ্মনাম আছিল ?

(ণ) 'মগৰীবৰ আজান' নাটকখনৰ নাট্যকাৰ এজনৰ নাম লিখা ।

২। তলৰ খালী ঠাইসমূহ সঠিক শব্দৰে পূৰণ কৰি উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) আৰ্ট ফৰ _____ চেক।

(খ) 'কথাগীতা'ৰ ৰচক _____।

(গ) 'ৰুবায়ত' হ'ল এখন _____ পুথি।

(ঘ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত _____ যুগৰ বিশেষ গুৰুত্ব আছে।

(ঙ) আহে গোৱাৰীসৱ, দেখু দেখু,
আৱৰ _____ কোন প্ৰয়োজন।

(চ) শীঘ্ৰে ভজিয়োক মোক _____ নকৰি।

(ছ) চাৰিটা শ্লোকৰ যিটো অৰ্থক কহয়
সেইজন জানিবাহা _____ তনয়।

৩। কেৱল শুদ্ধ উত্তৰটো উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) 'গুণমালা'ৰ ৰচক

( শংকৰদেৱ / মাধৱ কন্দলি / মাধৱদেৱ )

(খ) 'ট্ৰিনিটি থিয়ৰি'ৰ আৱিষ্কাৰক

( বম গার্টন / নাথান ব্ৰাউন / মাইলছ ব্ৰনছন )

(গ) অংকীয়া নাটসমূহৰ ভাষা

( অসমীয়া / বাংলা / ব্ৰজাৱলী )

(ঘ) 'জোনাকী' কাকতখন পোনপ্রথমে প্ৰকাশ পায়

( গুৱাহাটীত / তেজপু�ৰত / কলিকতাত )

(ঙ) সাহিত্যিক লিও টলষ্টয়ৰ দেশখন হ'ল

( ভাৰত / ফ্ৰান্স / ৰাচিয়া )

(চ) বেজিনীৰ হতুৱাই তামোল আৰু তেল জৰাইছিল

( কৰিমে / বলোৰামে / গাঁওবুঢ়াই )

(ছ) ঝুমুৰা হৈছে

( এবিধ গীত / এবিধ সৰু নাট / এবিধ গল্প )

(জ) অসমত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰিছিল

( হেম সৰস্বতীয়ে / মাধৱ কন্দলিয়ে / শংকৰদেৱে )

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**পাঁচ-ছয়** শাৰীত) : ৩×১০=৩০

(ক) 'ৰুবায়ত'ৰ ৰচক কোন ? ইয়াক অসমীয়ালৈ কোনে অনুবাদ কৰে আৰু অসমীয়ালৈ অনুবাদ কৰি ইয়াৰ কি নাম দিয়া হ'ল ? ১+১+১=৩

(খ) 'অঃ ভাঃ উঃ সাঃ সঃ'ৰ সম্পূৰ্ণ নামটো লিখা। ইয়াক কোনে, কেতিয়া আৰু ক'ত জন্ম দিছিল ? ১+১+১=৩

(গ) ব্রজাৱলী ভাষাৰ তিনিটা বৈশিষ্ট্য লিখা। ১+১+১=৩

(ঘ) জোনাকী যুগৰ ত্রিমূর্তি বুলি কাক কাক কোৱা হয়? ১+১+১=৩

(ঙ) ৰবিঞ্চন চাহাবৰ বিষয়ে চমুকৈ লিখা।

(চ) লক্ষ্মীনাথ বেজবৰুৱা ৰচিত যি কোনো তিনিখন গ্রন্থৰ নাম লিখা। ১+১+১=৩

(ছ) কি কাৰণে সাহিত্যক শ্রেষ্ঠ আর্ট বা কলা বুলি কোৱা হয় তাৰ তিনিটা কাৰণ দর্শোৱা। ১+১+১=৩

(জ) 'সাহিত্যত সাধনা, আর্ট আৰু ৰুচি' প্রবন্ধৰ লেখকৰ নাম কি?

(ঝ) গাঁৱলীয়া মেলত ভেদেউ আৰু দেউৰীক কেনেধৰণৰ শাস্তি দিয়া হৈছিল?

(ঞ) পাণ্ডৱসকলে নৈমিষাৰণ্য ত্যাগ কৰি ক'লৈ গৈছিল? তেওঁলোকে নৈমিষাৰণ্য ত্যাগ কৰাৰ কাৰণ কি? ১+২=৩

(ট) ধর্মৰ চাৰি খুঁটি আৰু ধর্মৰ চাৰি পুথি কি কি? $১\frac{১}{২}+১\frac{১}{২}=৩$

(ঠ) 'মৰে উৰুলি পুঙা, মৰে পদুলি শুঙা'—ফকৰাফাঁকিৰ অর্থ লিখা।

(ড) মাধৱদেৱে ঝুমুৰাসমূহত শিশু কৃষ্ণৰ চৰিত্র কিদৰে বর্ণনা কৰিছে তাৰ তিনিটা নিদর্শন দিয়া। ১+১+১=৩

(ঢ) যি কোনো তিনিখন বধকাব্যৰ নাম লিখা। ১+১+১=৩

(ণ) খটাসুৰক কোনে, কি বৰ প্রদান কৰিছিল? ১+২=৩

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) ''সৰস্বতীৰ কৃপা হ'লেও লক্ষ্মীদেৱীৰ অশুভ দৃষ্টিত অসমীয়া সাহিত্যিকৰ জীৱন লৈ লৈ—থৈ থৈ''—'সাহিত্যত সাধনা, আৰ্ট আৰু ৰুচি' প্ৰবন্ধৰ আলমত উক্ত কথাষাৰিৰ সপক্ষে এটি আলোচনা আগবঢ়োৱা।

(খ) ওমৰ খায়াম আস্তিক নে নাস্তিক আছিল? তেওঁৰ জীৱন দৰ্শনৰ ওপৰত ভিত্তি কৰি তেওঁ আস্তিক নে নাস্তিক আছিল সেই বিষয়ে বহলাই লিখা।

২+৮=১০

(গ) মাধৱদেৱৰ শ্ৰেষ্ঠ সাহিত্যকৃতি ৰূপে 'নাম-ঘোষা'ৰ এটা চমু মূল্যায়ন আগবঢ়োৱা।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) বধকাব্য কাক বোলে? এইসমূহ কোনে ৰচনা কৰিছিল? বধকাব্যৰ বৈশিষ্ট্যসমূহ লিখা। ২+২+৬=১০

(খ) খটাসুৰ আৰু পাণ্ডৱসকলৰ যুদ্ধখনৰ বৰ্ণনা দিয়া।

(গ) ৰামসৰস্বতীৰ দ্বাৰা ৰচিত যি কোনো এখন বধকাব্যৰ বিষয়ে চমুকৈ লিখা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) 'মগৰীবৰ আজান' নাটকত বৰ্ণিত 'ৰাজহুৱা মেল'ৰ এটি বৰ্ণনা দিয়া।

(খ) 'মগৰীবৰ আজান' নাটকৰ যি কোনো দুটা নাৰী চৰিত্ৰৰ নাম উল্লেখ কৰি চৰিত্ৰ দুটাৰ বিষয়ে বহলাই লিখা।

(গ) সামাজিক নাটক হিচাপে 'মগৰীবৰ আজান'—শীৰ্ষক এখন ৰচনা লিখা।

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) ভট্টদেৱক কিয় অসমীয়া গদ্য-সাহিত্যৰ জনক বুলি কোৱা হয়? তেওঁ কি কি গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰিছিল? ৭+৩=১০

(খ) মহাপুৰুষ শংকৰদেৱৰ চমু পৰিচয় দি তেওঁৰ সাহিত্যকৃতিৰ বিষয়ে বহলাই লিখা। ৪+৬=১০

(গ) 'অসমীয়া সাহিত্যলৈ মিছনাৰীসকলৰ অৱদান'—শীৰ্ষক এটা প্ৰবন্ধ লিখা।

৯। তলৰ যি কোনো **চাৰিটাৰ** বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

(ক) আনন্দৰাম ঢেকিয়াল ফুকন

(খ) ৰূপচিং

(গ) বিজুলীকাকত

(ঘ) নাথান ব্ৰাউন

(ঙ) অংকীয়া নাট

(চ) সাধুকথা

(ছ) ভেদেউ

(জ) অৰুণোদয়

★★★

## AglaSem Earn While You Learn Program!

Share your recent question papers with us and get paid!
अपने हाल के प्रश्न पत्र हमें भेजें और कमाएँ!

To participate, email us with the following details:
भाग लेने के लिए हमें निम्न विवरण के साथ ईमेल करें:

- Your Name
- Your Class
- Your Board
- Details of the Question Papers you have
  आपके पास उपलब्ध प्रश्न पत्रों का विवरण

Our team will reach out to you with the next steps.
हमारी टीम आगे की प्रक्रिया के लिए आपसे संपर्क करेगी।

Email: **support@aglasem.com**

# Study Materials

aglasem.com

## Model Papers

Sample Papers

Half Yearly Sample Papers

## Important Resources

Periodic Table

Writing Skills / Formats

Maps of India / World

## Notes

- [ ] Class 6 Notes
- [ ] Class 7 Notes
- [ ] Class 8 Notes
- [ ] Class 9 Notes
- [ ] Class 10 Notes
- [ ] Class 11 Notes
- [ ] Class 12 Notes

## Books and Solutions

NCERT Books

NCERT Book Solutions

HC Verma Chapter Wise Solutions

RD Sharma Solutions

CGBSE Solutions